# প্ৰাৰম্ভিক পৰিৱেশ সম্বন্ধীয় পৰীক্ষন

তথ্য পৰ্য্যয় : চূড়ান্ত

**প্ৰকল্প নম্বৰ : ৮২২৬৫০২৫**

IND : অসম পৌৰ আন্ত:গাথনি বিনিয়োগ

**কৰ্ম আঁচনি – প্ৰকল্প ১ : ডিব্ৰুগড় বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা উপপ্ৰকল্প**

**প্ৰস্তুত : এচিয়ান উন্নয়ন বেংকৰ হৈ গুৱহাটী উন্নয়ন বিভাগ আৰু অসম চৰকাৰৰ চহৰ উন্নয়ন বিভাগৰ দ্বাৰা প্ৰস্তুত ।**

# সংক্ষিপ্ত কাৰ্য্যকৰী বিৱৰন

১) অসম চৰকাৰৰ অধীনত অসম পৌৰ আন্তঃগাথনি বিনিয়োগ কৰ্ম আঁচনি পৌৰ আন্তঃগাথানিৰ চাবি কাথী স্বৰূপ আৰু উন্নত মানৰ পানী যোগান আচঁনি, অনাময় ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা, নৰ্দমাৰ আন্তঃগাথনিৰ লগতে অনূকুল পৌৰ পৰিবহন ব্যৱস্থা আদিৰ উন্নতিকৰনেই হ'ল ইয়াৰ মূল উদ্দেশ্য । উক্ত কৰ্মঅঁচনি খনৰ বাবে ব্যৱহাৰ কৰা হৈছে multi financing facility অৰ্হি যাক অহা ৫ বছৰ ২০১২ৰ পৰা ২০১৭ৰ বাস্তাৱায়িত কৰা হ'ব । এই ব্যবস্থাৰ অধীনত গুৱাহাটী মহানগৰীৰ পানী যোগান আঁচনি পয়ঃপ্ৰনালী, পৰিবহন ব্যৱস্থা তথা ডিব্ৰুগড় মহানগৰীৰ জলনিস্কাষন ব্যৱস্থা, বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা আৰু অন্যান্য প্ৰয়োজনীয় সেৱা সমূহ চিনাক্তকৰন কৰা হৈছে ।

২) এই কৰ্ম আঁচনি খনৰ প্ৰধান লক্ষ্য সমূহ হ'ল – ক) গুৱহাটী মহানগৰীৰ পানী যোগান ব্যৱস্থা, অনাময় ব্যৱস্থা আৰু বাছ পৰিবহন ব্যৱস্থা আৰু খ) ডিব্ৰুগড় মহানগৰীৰ বাবে বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা তথা জলনিস্কাষন ব্যৱস্থা।

৩) অসম চৰকাৰৰ অধীনস্থ গুৱাহাটী উন্নয়ন বিভাগে উক্ত কৰ্মআঁচনিৰ কাৰ্য্যনিৰ্বাহক অনুস্থান । ৰাজ্যিক পৰ্য্যায়ৰ এগৰাকী পূৰ্ণকালীন প্ৰকল্প নিৰ্দেশক তথা pmu ৰ সহযোগত গঠিত কাৰ্য্যনিৰ্বাহক অনুস্থানটোৱে উক্ত কৰ্ম আঁচনিৰ কাৰ্যকৰীকৰন কাৰিকৰী তত্বাৱধান পৰিদৰ্শন তথা বিত্তীয় ব্যৱস্থাৰ দায়িত্ব গ্ৰহন কৰিব । গুৱাহাটী অৰু ডিব্ৰুগড় মহানগৰীৰ উন্নয়নৰ বাবে লোৱা এই কৰ্ম আঁচনিখনৰ বাবে নিয়োজিত প্ৰকল্প পৰিচালনা গোট সমূহ এজন কাৰিকৰী তথা অভিজ্ঞ্য বিষয়াৰ সহযোগত পৰিচালিত হ'ব।

৪) উক্ত প্ৰকল্পৰ অন্তৰ্ভূক্ত উপপ্ৰকল্প সমূহৰ ফলত উদ্ভৱ হ'ব পৰা নেতিবাচক পাৰিপাৰ্শ্বিক আৰু সামাজিক প্ৰভাৱৰ পৰা ৰক্ষনাবেক্ষনৰ সম্পূৰ্ণ দায়িত্ব হ'ব pmu ৰ। piu ৰ বাবে এগৰাকী পাৰিপাৰ্শ্বিক বিষয়া আৰু পূৰ্ণবন্দবস্ত বিষয়া নিয়োজিত হ'ব যাৰ দায়িত্ব হ'ব পাৰিপাৰ্শ্বিক নিৰীক্ষণৰ, পাৰিপাৰ্শ্বিক ব্যবস্থাপনা তথা পূৰ্ণবন্দোবস্ত আঁচনিৰ কাৰ্যকৰীকৰণ কৰা। নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত PIUৰ দ্বাৰা সম্পাদিত উপপ্ৰকল্পৰ প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক পৰীক্ষন সমূহ বিশদভাৱে তদাৰক তথা পৰিচালনা কৰিবলৈ এজনকৈ অভিজ্ঞ্য পৰিৱেশ বিশেষজ্ঞ ৰূপাংকন আৰু তদাৰকী পৰামৰ্শদাতাক দলৰ অংশীদাৰ হিচাবে নিয়োজিত কৰা হয়।

৫) ডিব্ৰুগড় মহানগৰীৰ বৰ্জিত দ্ৰব্য ব্যৱস্থাপনাৰ প্ৰাৰম্ভিক পৰিৱেশ সম্বন্ধীয় পৰীক্ষনৰ উন্নীতকৰন কৰা হৈছে (প্ৰস্তূতঃ ২০১১ চন)। উক্ত উপপ্ৰকল্পটোৰ আধাৰত

ক) বৰ্জিত দ্ৰব্যৰ সংগ্ৰহৰ প্ৰাথমিক আৰু গৌণ প্ৰক্ৰিয়াৰ উন্নীতকৰণ ।

খ) বৰ্জিত দ্ৰব্যৰ সংগ্ৰহ তথা পৰিবহনৰ সুবিধাসমূহৰ উন্নীতকৰণ আৰু

গ) ডিব্ৰুগড় মহানগৰীৰ ঘোৰামাৰা গাওঁৰ ১.৯১ হেক্টৰৰ এক বৃহৎ এলেকাজুলি স্থাপন কৰা কাৰখানাৰ যোগেদি বৰ্জিত দ্ৰব্যৰ পৰীক্ষন আৰু নিষ্পত্তিকৰনৰ ব্যৱস্থাৰ উন্নীতকৰন কৰা হৈছে।

৬) নিৰ্মানকাৰ্য্য ২০১৬ চনৰ পৰা আৰম্ভ কৰি ৭৫০ দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব ।

৭) উক্ত প্ৰকল্পটোক ২০০৬ চনৰ EIAৰ "পূৰ্ববৰ্তী পাৰিপাৰ্শ্বিক প্ৰকল্প অনুমোদন জাননীৰ যোগেদি পাৰিপাৰ্শ্বিক অনুমতি পত্ৰ প্ৰদান কৰা হয় । কাৰ্য্যসূচী অনুযায়ী ডিব্ৰুগড় মহানগৰীৰ বৰ্জিত দ্ৰব্য ব্যবস্থাপনা প্ৰকল্পটোক B শ্ৰেণীৰ বুলি নিশ্চিত কৰা হৈছে । প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় পাৰিপাৰ্শ্বিক অনুমতি পত্ৰ অসম চৰকাৰৰ পৰিৱেশ তথা বন বিভাগৰ জৰিয়তে উপলব্ধ হ'ব। ৰাষ্ট্ৰীয় শিক্ষা তথা প্ৰশিক্ষণ পৰিষদৰ দ্বাৰা অনুমোদিত সংগঠন সমূহ পৰিৱেশ সম্বন্ধীয় প্ৰভাৱৰ মূল্যায়ন প্ৰক্ৰিয়াৰ কাৰ্য্যৱলী প্ৰস্তুতকৰণত অংশগ্ৰহণ কৰে।

৮) জনস্বাস্থ্য তথা পাৰিপাৰ্শ্বিক লাভৰ প্ৰতি লক্ষ্য ৰাখি উক্ত প্ৰকল্পৰ ফলত উদ্ভৱ হ'ব পৰা মাটি আৰু পানীৰ প্ৰদূষণ দূষিত পানীৰ পৰা সৃষ্টি হ'ব পৰা বিভিন্ন ধৰনৰ বেমাৰৰ পৰিমান হ্ৰাস কৰিবলৈ উন্নত মানৰ বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনাৰ কৰ্মসূচী হাতত লোৱা হৈছে । চৰকাৰে উক্ত প্ৰকল্পৰ কৰ্মস্থানৰ বাবে ব্যক্তিগত খন্ডৰ অনুন্নত এলেকা অধীগ্ৰহণ কৰিছে।কৰ্মস্থলৰ পৰা ১০ কিঃ মিঃ পৰ্যন্ত কোনোধৰনৰ সংৰক্ষিত বনাঞ্চল জনবাসতিপূৰ্ণ এলেকা আৰু পৰ্য্যাৱৰন অনুকুল এলেকা নাই। নিৰ্মানকাৰ্য্যৰ ফলত উদ্ভৱ হ'ব পৰা ফলাফল সমূহৰ বাবে গ্ৰহণ কৰা প্ৰতিৰোধমূলক ব্যৱস্থাৰ ফলত চেচা নদীৰ জলভাগৰ গুণগত মানত কোনো প্ৰভাব নপৰে যদিও চেচা নদীৰ উপকূল অঞ্চলৰ মাটিভাগ প্ৰকল্পটোৰ কৰ্মস্থলী ৰূপে অধিগ্ৰহণ কৰা হৈছে।

৯) উপপ্ৰকল্প কাৰ্য্যকৰীকৰণৰ ফলত সৃষ্টি হোৱা পৰিৱেশ সংক্ৰান্তীয় প্ৰভাৱ সমূহ IEEৰ অৰ্ন্তভূক্ত তথা তথ্য সম্বলিত কৰা হয়। নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত উদ্ভৱ হোৱা প্ৰভাৱসমূহ মূলতঃ তলত দিয়া কাৰকসমূহৰ ফালাফল

ক) বুজন পৰিমানৰ বৰ্জিত মাটি নিষ্কাষিত পলসৰ বিন্যস্ত কৰাৰ প্ৰয়োজনীয়তা।

খ)নিৰ্মানকাৰ্য্যৰ ফলত সাধাৰণ জনবসতি পূৰ্ণ অঞ্চল ব্যৱসায় পৰিবহন তথা বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ কাৰ্য্যালয়ত ব্যাঘাত জন্মা।প্ৰকল্প সমূহৰ ফলত উদ্ভৱ হোৱা বিভিন্ন ধৰণৰ নেতিবচক ফলাফল সমূহৰ বাৱে বিভিন্ন ধৰণৰ প্ৰতিৰোধ মূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। প্ৰতিৰোধ মূলক ব্যৱস্থা সমূহ প্ৰধানতঃ ৰূপাংকন অভিযন্তাৰ লগত

আলোচনা কৰা হয় আৰু তাৰ ফলস্বৰূপে উপযুক্ত প্ৰতিৰোধ মূলক ব্যৱস্থা সমূহ পাৰিপাৰ্শ্বিক ব্যৱস্থাপনা পৰিকল্পনা (EMP)ত প্ৰকাশ কৰা হয় ।

১০) EMP খন IEEৰ এটা অংশ হিচাপে সামৰি লোৱা হৈছে যাৰ অন্তৰ্গত-

ক) নিৰ্মানকাৰ্য্যৰ সময়ছোৱাত সৃষ্টি হোৱা পাৰিপাৰ্শ্বিক প্ৰভাৱৰ বাবে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহন কৰা।

খ) পৰিৱেশ পৰিদৰ্শৰ বাবে লোৱা পদক্ষেপ তথা কাৰ্য্য-বিৱৰণী।

গ) জনসাধাৰণৰ মতামত আৰু তথ্যৰ প্ৰকাশকৰণ।

ঘ) অভিযোগ সংশোধনী ব্যৱস্থা পৰিচালনা কৰা ।

১১) IEEৰ উন্নয়নৰ বাবে জনসাধৰনৰ মতামত তথা অংশীদাৰ সকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। ইয়াৰ যোগেদি IEEৰ উন্নয়ন আৰু কাৰ্য্য-পৰিকল্পনাৰ বিষয়ে মত প্ৰকাশ কৰা হয়। প্ৰাৰম্ভিক পাৰিপাৰ্শ্বিক নিৰীক্ষনৰ সম্পূৰ্ণ কাৰ্য্যাৱলী তথা পদক্ষেপ সমূহ জনসাধাৰণৰ স্বাৰ্থত অসমীয়া ভাষাত

ক) ULB কাৰ্য্যালয়

খ) জিলা দন্ডাধীশ কাৰ্য্যালয় আৰু

গ) PMU ত উপলব্ধ হ'ব।

জনসাধৰনৰ পৰিৱেশ উন্নয়নৰ সজাগতাৰ হকে উক্ত প্ৰকল্পৰ তথ্যসম্বলি কাকত সমূহ বিভিন্ন ধৰনৰ চৰকাৰী কাৰ্য্যালয় সমূহত সহজতে উপলব্ধ হ'ব যাৰ জৰিয়তে সমাজৰ সকলো পৰ্য্যয়ৰ লোক এই আঁচনিৰ লগত জড়িত হ'ব পাৰিব । তাৰোপৰি উক্ত প্ৰকল্পৰ চৰকাৰ তথা ADBৰ দ্বাৰা অনুমোদিত ইলেক্ট্ৰনিক সংস্কাৰণ এটা PMU আৰু ADBৰ চৰকাৰী ৱেবচাইটত প্ৰকাশিত হ'ব।

১২) সেয়েহে প্ৰস্তাৱিত উপপ্ৰকল্পটোৱে তাৎপৰ্যপূৰ্ণ প্ৰতিকূল প্ৰভাৱ বিস্তাৰ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে ।উক্ত প্ৰকল্পটোৰ প্ৰাপ্তিৰ আধাৰত ইয়াক B শ্ৰেণীৰ প্ৰকল্প হিচাপে নিশ্চিত কৰা হোৱাৰ লগতে ADB SPS (2009) ৰ আধাৰত উক্ত প্ৰকল্পটোৰ কোনোধৰণৰ বিশেষ অধ্যয়ন আৰু পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মূল্যাংকণৰ বিশদ আলোচনাৰ প্ৰয়োজনীয়তা নাই বুলি উল্লেখ কৰা হ'ল ।